# Course 507

# সম্প্ৰদায় সক্ৰিয়কৰণ

ব্লক - 3

গোট - 9



টোকা

## গোট - 9 ঃ সম্প্ৰদায় সক্ৰিয়কৰণ

## গাঁথনি


9.0 পাতনি

9.1 শিকন উদ্দেশ্য

9.2 সম্প্ৰদায় সক্ৰিয়কৰণ

- 9.2.1 অৰ্থ আৰু প্ৰয়োজনীয়তা
- 9.2.2 সম্প্ৰদায় সক্ৰিয়কৰণ কিয় প্ৰয়োজন?
- 9.2.3 সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে কাৰ্যসূচী
- 9.2.4 সম্প্ৰদায় সক্ৰিয়কৰণকাৰী ভূমিকা আৰু দক্ষতা

9.3 ঘটনা অধ্যয়ন ঃ প্ৰাথমিক শিক্ষাৰ কাৰ্যসূচীয়ে সম্প্ৰদায় সক্ৰিয়কৰণ সামৰি লয়

- 9.3.1 সৰ্বশিক্ষা অভিযানৰ তত্বাৱধানত সম্প্ৰদায় জড়িতকৰণ আৰু সম্প্ৰদায় সক্ৰিয়কৰণ
- 9.3.2 সম্প্ৰদায় সক্ৰিয়কৰণ ঃ 'প্ৰথম'ৰ এটা উল্লেখযোগ্য কৌশল

9.4. শিক্ষক আৰু সম্প্ৰদায় সক্ৰিয়কৰণ

9.5. গোটৰ সাৰাংশ

9.6 অগ্ৰগতিৰ খতিয়ান

9.7 পৰামৰ্শমূলক প্ৰাসংগিক পুথি

9.8 গোটৰ অনুশীলন


## 9.0 পাতনি ঃ

'সকলোৰে ভাল পোৱা আৰু নিজৰ বুলি ভবা আৰু সকলোৰে মূল্য দিয়া এটা বস্তু শেষ হৈ নাযায়।' — স্মৃতি

ব্লক 1 আৰু 2ত আপোনালোকে ইতিমধ্যে সমাজৰ লগত বিদ্যালয়ৰ কি সংযোগ আৰু এই ক্ষেত্ৰত সম্প্ৰদায়ৰ ভূমিকা সম্পৰ্কে ইতিমধ্যে অধ্যয়ন কৰি আহিছে। আপোনালোকে ইতিমধ্যে বিদ্যালয় শিক্ষাত সম্প্ৰদায় জড়িতকৰণৰ বাবে ইয়াৰ নীতি নিৰ্ধাৰণ আৰু প্ৰায়োজনীয়তা সম্পৰ্কে জ্ঞাত হৈছে। বিদ্যালয় শিক্ষা পদ্ধতিত সম্প্ৰদায়ক সমল হিচাপে ইয়াৰ সক্ৰিয়কৰণৰ বিভিন্ন কৌশল সম্পৰ্কে এই গোটটোত আলোচনা



টোকা

কৰাৰ চেষ্টা কৰা হৈছে। এই গোটটো প্ৰয়োগভিত্তিক গোট। বিদ্যালয় শিক্ষা পদ্ধতিৰ লগত বিভিন্ন সম্প্ৰদায়ৰ সংলগ্নকৰণৰ ক্ষেত্ৰত বহু উদাহৰণ আৰু ক্ৰিয়াকলাপ ইয়াত দাঙি ধৰা হৈছে। এই উদাহৰণ আৰু ঘটনা অধ্যয়নবোৰৰ জৰিয়তে বিদ্যালয় শিক্ষা পদ্ধতিত সম্প্ৰদায়ক এক সমৰ্থবান সমল হিচাপে দেখুওৱা হৈছে। সম্প্ৰদায় সক্ৰিয়কৰণৰ গতিশীলতা বৃদ্ধিৰ চেষ্টা কৰা হৈছে। এই গোটটোৰ মুখ্য উদ্দেশ্য হ'ল — আপোনাৰ বিদ্যালয়ৰ লাভৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ বাবে সহায়ক হিচাপে আপুনি সম্প্ৰদায়ক কিধৰণে সক্ৰিয়কৰণ কৰা হয় সেই সম্পৰ্কে জনা আৰু কাৰ্যব্যৱস্থা হাতত লোৱা।

এই গোটটোত কাৰ্যভিত্তিক গৱেষণাৰ জৰিয়তে আপুনি কিদৰে সম্প্ৰদায়ক সক্ৰিয় কৰি বিদ্যালয়ৰ উত্তৰণ সাধন কৰিব পাৰে তাৰ আভাষ দিয়া হৈছে।

## 9.1 শিকন উদ্দেশ্য ঃ

এই পাঠটোৰ শিকন সম্পূৰ্ণ হোৱাৰ পিছত আপুনি তলত দিয়া কথাবোৰ জানিবলৈ সক্ষম হ'ব।

- বিদ্যালয় শিক্ষা পদ্ধতিত সম্প্ৰদায়ৰ আত্মীয়তাবোধ আৰু অংশগ্ৰহণ সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব।
- বিদ্যালয় শিক্ষা পদ্ধতিত বিভিন্ন সম্প্ৰদায়ৰ সমল চিনাক্ত কৰি ব্যৱহাৰ কৰিব পাৰিব।
- বিদ্যালয় শিক্ষা পদ্ধতিত সম্প্ৰদায় সক্ৰিয়কৰণ আৰু সম্প্ৰদায়ৰ ব্যৱহাৰ সম্পৰ্কে বিভিন্ন উদাহৰণ দিব পাৰিব।
- আপোনাৰ বিদ্যালয়ৰ পৰিৱেশ সাপেক্ষে কিছুমান সম্প্ৰদায় সক্ৰিয়কৰণ কাৰ্যসূচী হাতত ল'ব পাৰিব।
- বিভিন্ন সম্প্ৰদায়ক সক্ৰিয়কণ কৰি বিদ্যালয়মুখী কৰাৰ বাবে আপোনাৰ ভূমিকা কেনেকুৱা হ'ব সেই কথা জানিব।
- সম্প্ৰদায় সক্ৰিয়কৰণকাৰী বা এজন সহায়ক হিচাপে আপোনাৰ গুণগত মান আৰু দক্ষতা কেনে হ'ব লাগিব তাৰ এখন তালিকা প্ৰস্তুত কৰিব পাৰিব।

## 9.2 সম্প্ৰদায় সক্ৰিয়কৰণ ঃ

### 9.2.1. অৰ্থ আৰু প্ৰয়োজনীয়তা ঃ



তলত উল্লেখ কৰা দুখন বিদ্যালয়ৰ ঘটনাৰ জৰিয়তে আমি সম্প্ৰদায় সক্ৰিয়কৰণৰ অৰ্থ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে জানিবলৈ চেষ্টা কৰো আহক।

**দৃশ্যপট ঃ 1 'দুখন বিদ্যালয়ৰ ঘটনা'**



টোকা



মই এজন প্ৰাথমিক বিদ্যালয়ত শিক্ষক আৰু সঞ্চালক মহোদয়ে নিযুক্তি দিয়া অনুসৰি মই বিদ্যালয়ত আজি যোগদান কৰিব লাগিব আৰু মই সংশ্লিষ্ট মানুহক বিদ্যালয়ৰ ঠিকনা সুধি বিদ্যালয়মুখী হ'বলৈ চেষ্টা কৰি আছোঁ।

**ঘটনা 1 ঃ** মোৰ চাৰিওফালে বহি থকা মানুহবোৰক মই বিদ্যালয়ৰ ঠিকনা সুধিছোঁ আৰু তেওঁলোকে মোলৈ অযথা চাই থাকিলে। বহুচেষ্টাৰ মূৰত মই বিচৰা বিদ্যালয়খন বিচাৰি পালোঁ।

**ঘটনা 2 ঃ** মোৰ চাৰিওফালে বহি থকা মানুহবোৰক মই বিদ্যালয়খনৰ ঠিকনা সুধিলোঁ। তেওঁলোকৰ এজনে কাষতে থকা এজনক সুধিলে— তোমাৰ ওচৰৰ ছোৱালীজনীয়ে নামভৰ্তি কৰা বিদ্যালয়খন কত আছে?' তেওঁ উত্তৰ দিলে — 'হয় মই আপোনাক সেই বিদ্যালয়খনলৈ লৈ যাব পাৰো কিয়নো যোৱাকালি দেউতাকে চিনি নোপোৱা কাৰণে ছোৱালীজনীক মই বিদ্যালয়খনলৈ লৈ গৈছিলো।' এই মানুহজনে মোক বিদ্যালয়খনৰ স্থানলৈ আঙুলিয়াই দিছিল। বিদ্যালয়খনলৈ মই দাঁতি কাষৰীয়া ৰাইজক সুধি সুধি গৈছিলো যাতে মোৰ গন্তব্য স্থান ভুল নহয়। মই তেওঁলোকক ধন্যবাদ জনাইছিলো আৰু অৱশেষত বিদ্যালয়খন গৈ পাইছিলোঁ।

ওপৰৰ দৃশ্যপট সাপেক্ষে তলৰ কথালৈ মন কৰক ঃ

**ঘটনা 1ৰ ক্ষেত্ৰত ঃ**

মানুহবোৰ বিদ্যালয়খনৰ ঠিকনাৰ কথা নাজানিছিল আৰু সোধাসুধি কৰি কোনেও বিদ্যালয়খনৰ ঠিকনা জানিবলৈ ইচ্ছা কৰা নাছিল আৰু শিক্ষকজনক সহায় কৰিব পৰা নাছিল।

**ঘটনা 2ৰ ক্ষেত্ৰত ঃ**

মানুহবোৰে বিদ্যালয়খনক নিজৰ বুলি কৈছিল আৰু নিজৰ সন্তানক সেইখন বিদ্যালয়তে পঢ়ুৱাইছিল। শিক্ষকজনক বিদ্যালয়খনত ঠিকনা দিয়াৰ ক্ষেত্ৰত সকলোৰে সহায় কৰিছিল। আনকি ওচৰ চুবুৰীয়াৰ শিশুক বিদ্যালয়লৈ লৈ গৈ তেওঁলোকৰ মাজত সহযোগিতা আৰু সমন্বয় থকাৰো পৰিচয় দিছিল।

এতিয়া উক্ত ঘটনা সাপেক্ষে তলৰ প্ৰশ্নবোৰত উত্তৰ দিবলৈ যত্ন কৰক।

1. কোনটো দৃশ্যপটত সম্প্ৰদায়ৰ মানুহবোৰৰ মাজত সহযোগিতা দেখা গৈছিল?

   ..................................................................................................................

2. কোনটো দৃশ্যপটত সম্প্ৰদায়ৰ মানুহবোৰে সম্পদবোৰক নিজৰ বুলি লৈ তাৰ সুব্যৱস্থাপনা কৰিব পাৰিছিল?

   ..................................................................................................................

মন কৰিব যে সম্প্ৰদায়ৰ অতি মূল্যবান সম্পদ হ'ল মানুহবোৰ। আত্ম সন্তুষ্টি আৰু আত্ম প্ৰত্যয়ৰ বাবে মানুহৰ মাজত সমন্বয় বৰ্তাই ৰখা অতি প্ৰয়োজন। স্থানীয়ভাৱে থকা সম্পদবোৰ চিনাক্ত কৰি তাক আঁচনিৰ জৰিয়তে ব্যৱহাৰ কৰিব পৰাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ



টোকা

গুৰুত্বপূৰ্ণ ভূমিকা থাকে। য'ত স্থানীয় নিকায় থাকে তাত স্থানীয় সম্পদ ব্যৱহাৰ কৰিও স্থানীয় অঞ্চলৰ উন্নতি সাধন কৰিব পাৰে। এইটো সম্প্ৰদায় বিকাশৰ উত্তম উপায়। মানুহে য'ত আঁচনি প্ৰস্তুত কৰি ইয়াৰ সঠিক প্ৰয়োগ কৰিব পাৰে তাকে সম্প্ৰদায় সক্ৰিয়কৰণ বোলা হয়। এই সম্প্ৰদায়ৰ লোকে তেওঁলোকৰ মাজত পৰিবৰ্তন আনিব পাৰে, নিজৰ জীৱন ধন্য কৰিব পাৰে।

সম্প্ৰদায় সক্ৰিয়কৰণ এক দক্ষতা আহৰণ প্ৰক্ৰিয়া যাৰ জৰিয়তে সম্প্ৰদায়ৰ দল, সংগঠন আৰু ব্যক্তিয়ে আঁচনি গ্ৰহণ আৰু কাৰ্যকৰী কৰি তাৰ মূল্যায়ন কৰিব পাৰে আৰু ব্যক্তিগত প্ৰচেষ্টা বা সামূহিক প্ৰচেষ্টাৰ দ্বাৰা সম্প্ৰদায়ৰ লোকৰ বিকাশ সাধন কৰিব পাৰে।

## 9.2.2. সম্প্ৰদায় সক্ৰিয়কৰণ কিয় প্ৰয়োজন ঃ

কোনো কাৰ্যসূচী বা আঁচনি কাৰ্যকৰী কৰাৰ বাবে সম্প্ৰদায় সক্ৰিয়কৰণ অতি জৰুৰী। সম্প্ৰদায় সক্ৰিয়কৰণে তলত দিয়া ধৰণে সহায় কৰে।

- কোনো কাৰ্যসূচী গ্ৰহণৰ বাবে চাহিদা সৃষ্টি কৰে।
- কাৰ্যসূচীৰ সক্ৰিয়তা আৰু ফলাফল ত্বৰান্বিত কৰে।
- লোকৰ সঁহাৰিৰ বাবে অতিৰিক্ত সম্পদৰ বৰঙণি যোগায়।
- ক্ষতিকাৰক বস্তুৰ প্ৰভাৱ হ্ৰাস কৰে।
- লিংগ বৈষম্য, অসজাগতা আদি শিক্ষামূলক দিশ চোৱাচিতা কৰে।
- সম্প্ৰদায়ৰ আপোনভাৱ আৰু বহনক্ষম ক্ষমতা বৃদ্ধি কৰে।

## 9.2.3. সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে কাৰ্যসূচী

সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে কি কি কাৰ্যসূচী হাতত লোৱা হ'ব সেই বিষয়ে আলোচনা কৰিবলৈ তলৰ দৃশ্যপটলৈ মন আকৰ্ষণ কৰো আহক।

**দৃশ্যপট ঃ 2**



পঞ্চম শ্ৰেণীৰ এজনী শ্ৰেণী শিক্ষয়িত্ৰীয়ে শ্ৰেণীত গণিতৰ পৰীক্ষা ল'লে। দেখিলে যে অৰ্ধ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অকৃতকাৰ্য হৈছে আৰু যিসকল কৃতকাৰ্য হৈছে নম্বৰবোৰ একেবাৰে ভাল পোৱা নাই। তেওঁ চিন্তা কৰিলে প্ৰতিজন ছাত্ৰ-ছাত্ৰীক যদি ব্যক্তিগতভাৱে নম্বৰ কম পোৱাৰ কাৰণ সুধি তাৰ প্ৰতিকাৰ কৰিবলৈ লোৱা যায় তেন্তে বহুসময় ল'ব আৰু সপ্তাহত সমাপ্ত কৰিবলগীয়া পাঠ্যসূচী শেষ নহ'ব। তেওঁ এটা উপায় উলিয়ালে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে হৈ যোৱা গণিতৰ পৰীক্ষাত কেনেকুৱা পাৰদৰ্শিতা দেখুওৱাব পাৰে নিজস্বভাৱে ভাল, বেছি ভাল, মোটামুটি ভাল, ভাল নহয়, একেবাৰে বেয়া আদি ৰেংক দিব দিলে আৰু লগতে তেওঁ কিয় এই ৰেংক পাব তাৰ কাৰণো লিখিব দিলে।



টোকা



শিক্ষয়িত্ৰীগৰাকীয়ে সময় লোৱা সত্ত্বেও এই কামটো কৰিলে আৰু দেখিলে যে নম্বৰ কম পোৱাৰ কাৰণসমূহ হ'ল ওচৰ চুবুৰীয়াৰ বিয়া উপলক্ষে স্কুল ক্ষতি আৰু পঢ়া হোৱা নাই, বেমাৰ, বিষয়বস্তু ভালকৈ বুজি পোৱা নাই, শ্ৰেণীত অনুপস্থিত থকা আদি। শিক্ষয়িত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীয়ে দিয়া কাৰণসমূহ সম্পূৰ্ণ শুদ্ধ নহয় বুলি অনুভৱ কৰিলে আৰু তেওঁ দলগতভাৱে ছাত্ৰ-ছাত্ৰীৰ লগত এই বিষয়ে আলোচনা কৰিলে। ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বন্ধু-বান্ধৱীৰ নম্বৰ কম পোৱাৰ প্ৰকৃত কাৰণ শিক্ষয়িত্ৰীক ক'বলৈ দ্বিধাবোধ নকৰিলে। কিছু ক্ষেত্ৰত তেওঁ অন্য শিক্ষকৰ লগতো এই বিষয়ে আলোচনা কৰিলে।



শিক্ষয়িত্ৰীগৰাকীয়ে পিছত এই সম্পৰ্কত অভিভাৱকসকলৰ লগতো আলোচনা কৰিলে। শ্ৰেণীত তেওঁ ভাল ছাত্ৰ-ছাত্ৰী আৰু তুলনামূলকভাৱে বেয়া ছাত্ৰ-ছাত্ৰীৰ মাজত যুৰীয়া দল গঠন কৰি গণিত শিকাবলৈ আৰম্ভ কৰিলে। কিছুমান ওপৰৰ শ্ৰেণীৰ ভাল ছাত্ৰ-ছাত্ৰীক ওচৰত থকা তলৰ শ্ৰেণীৰ কম নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীক মাজে মাজে ঘৰলৈ গৈ শিকাই দিয়া কাৰ্যসূচীও শিক্ষয়িত্ৰীগৰাকীয়ে গ্ৰহণ কৰিলে। অশিক্ষিত আৰু দৰিদ্ৰ ঘৰৰ ল'ৰা-ছোৱালীক এনেদৰে শিক্ষা দিলে ল'ৰা-ছোৱালীৰ উন্নতি নহ'বনে? এতিয়া পৰৱৰ্তী গণিতৰ পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ প্ৰাপ্ত নম্বৰ একেই থাকিব নে বেছি হ'ব ভাবি চাওকচোন। সন্দেহ নাই যে এনেদৰে আঁচনি আৰু কৌশলৰ সহায়ত আমি ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা উন্নতি কৰিব নোৱাৰোনে?



শিক্ষয়িত্ৰীগৰাকীয়ে প্ৰতিটো শ্ৰেণীৰ বাবে এনেধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিব নোৱাৰে। তেওঁ এই কথাবোৰ তেওঁৰ সতীৰ্থ শিক্ষকসকলৰ লগতো আলোচনা কৰিছিল। কিছুমানে তেওঁক প্ৰশংসা কৰিছিল আৰু কিছুমানে এনে কৌশল তেওঁৰ নিজৰ শ্ৰেণীত ব্যৱহাৰ কৰি সুফল পাইছিল। পিছত অধ্যক্ষৰ পৰিচালনাত শিক্ষকৰ সভাত এই বিষয়ে আলোচনা হৈছিল আৰু শিক্ষয়িত্ৰীগৰাকীৰ এনে প্ৰচেষ্টাক সকলোৱে প্ৰশংসা কৰিছিল। এই শিক্ষকৰ সভাত সিদ্ধান্ত লৈছিল যে বিদ্যালয়ে কিছুমান দিশত ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰিব যেনে — 'শ্ৰেণীৰ আটাইকে ভাল বন্ধুদ্বয়', আটাইতকৈ বেছি সহযোগিতা থকা জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰী


টোকা

বা ছাত্ৰ-ছাত্ৰীৰ দল, আটাইতকৈ বেছি সহযোগিতা থকা অভিভাৱক/ অভিভাৱিকা আৰু প্ৰতিটো সপ্তাহত প্ৰাৰ্থনা সভাত এই সম্পৰ্কে ঘোষণা কৰি হাত চাপৰি দিয়া হ'ব। এইদৰে সকলো শ্ৰেণীতে এই ব্যৱস্থা লোৱা হৈছিল।

ওপৰৰ দৃশ্যপটত আমি দেখা পাইছো যে ছাত্ৰ-ছাত্ৰী, শিক্ষক বা অভিভাৱকক সক্ৰিয়কৰণৰ জৰিয়তে পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ নম্বৰ বৃদ্ধি কৰিব পাৰিম আৰু আমি আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম। এতিয়া আমি ওপৰৰ দৃশ্যপট সাপেক্ষে সম্প্ৰদায়ৰ সক্ৰিয়কৰণৰ বাবে কি কি কাৰ্যসূচী হাতত ল'ব লাগে সেই বিষয়ে আলোচনা কৰো আহক।

| **সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে মুখ্য কাৰ্যসূচী** | **ওপৰৰ দৃশ্যপট সাপেক্ষে শিক্ষকে ল'বলগীয়া ক্ৰিয়াকলাপ** |
|---|---|
| আপোনাৰ সম্প্ৰদায়ত থকা দিশ/ঘটনা সম্পৰ্কে অৱগত হওক। | ওপৰৰ দৃশ্যপট সাপেক্ষে শিক্ষকে চিনাক্ত কৰা দিশটো হ'ল 'গণিতৰ পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ বেয়া ফলাফল'— <br> শিক্ষকে এতিয়া সম্প্ৰদায়ৰ বিভিন্ন লোক/দলক চিনাক্ত কৰি সক্ৰিয়কৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছিল— যেনে - ছাত্ৰ-ছাত্ৰী - শ্ৰেণীৰ বিভিন্ন পাৰদৰ্শিতা থকা ছাত্ৰ-ছাত্ৰী আৰু জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰী <br> শিক্ষক ঃ সতীৰ্থ আৰু জ্যেষ্ঠ শিক্ষক <br> কৰ্তৃপক্ষ ঃ অধ্যক্ষ |
| সম্প্ৰদায়ত থকা সম্পদ চিনাক্তকৰণ | ওপৰৰ দৃশ্যপট অনুযায়ী শিক্ষকে তলত দিয়া সম্পদসমূহ চিনাক্ত কৰিব— <br> **ছাত্ৰ-ছাত্ৰী ঃ** <br> ● ভাল ছাত্ৰ-ছাত্ৰীবোৰক যুৰীয়া শিকন কাৰ্যকৰী কৰিবলৈ বাছনি কৰিব। <br> ● যুৰীয়াভাৱে থকা ছাত্ৰ-ছাত্ৰীক কম পাৰদৰ্শিতা থকা ছাত্ৰ-ছাত্ৰীৰ শিকন বৃদ্ধি কৰিবলৈ সম্পদ হিচাপে ব্যৱহাৰ কৰিব। <br> ● ওচৰ চুবুৰীয়াত থকা ভাল জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীক চিনাক্ত কৰি সংশ্লিষ্ট ছাত্ৰ-ছাত্ৰীৰ ঘৰত সহায় আগবঢ়োৱাৰ বাবে সম্পদ হিচাপে ব্যৱহাৰ কৰিব পাৰিব। <br> **শিক্ষক** <br> ● জ্যেষ্ঠ শিক্ষকসকলৰ সম্পদ হিচাপে চিনাক্ত কৰি আঁচনি গ্ৰহণ কৰোতে তেওঁলোকক ব্যৱহাৰ কৰিব। <br> ● বিষয় শিক্ষকসকলক বিষয়সম্পৰ্কীয় প্ৰতিপুষ্টি সংগ্ৰহ কৰি তাৰ বিপৰীতে উচিত ব্যৱস্থা ল'বলৈ সম্পদ হিচাপে ব্যৱহাৰ কৰিব। |

টোকা

| সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে মুখ্য কাৰ্যসূচী | ওপৰৰ দৃশ্যপট সাপেক্ষে শিক্ষকে ল'বলগীয়া ক্ৰিয়াকলাপ |
|---|---|
| সম্প্ৰদায়ত থকা সম্পদ চিনাক্তকৰণ | **পিতৃ-মাতৃ**<br>● সক্ৰিয় পিতৃ-মাতৃসকলৰ সম্পদ হিচাপে চিনাক্ত কৰি তেওঁলোকক প্ৰথম প্ৰজন্মৰ শিকাৰুৰ বাবে ঘৰতে শৈক্ষিক বা পাৰিবেশিক সহায় আগবঢ়োৱাৰ বাবে আগতীয়া ব্যৱস্থা কৰিব।<br>**অধ্যক্ষ ঃ**<br>● বিদ্যালয়ৰ অধ্যক্ষক বিদ্যালয়ত মূল সম্পদ হিচাপে চিনাক্ত কৰি তেওঁক বিদ্যালয়ৰ সকলো কাৰ্য নিয়াৰিকৈ কৰিবৰ বাবে এক আদৰ্শবান অভিৰোচক হিচাপে ব্যৱহাৰ কৰিব। |
| সম্প্ৰদায়ৰ সংগঠন মজবুত কৰাৰ বাবে সম্প্ৰদায়ৰ লোকসকলৰ মাজত সভা, আলোচনা আদি | শিকাৰু, শিক্ষক আৰু পিতৃ-মাতৃৰ মাজত বিভিন্ন স্তৰত অনুষ্ঠিত কৰা আলোচনাই অধ্যয়ন মজবুত কৰে, জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলক সংশ্লিষ্ট শিকাৰুক শৈক্ষিক সহায় আগবঢ়োৱাত সহায় কৰে, বিষয়ভিত্তিক সহায় আগবঢ়োৱাত সহায় কৰে, ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতাৰ মাপকাঠি জুখি ছাত্ৰ-ছাত্ৰীসকলক প্ৰশংসা কৰাৰ বাট মুকলি কৰি আৰু সামগ্ৰিকভাৱে পৰিৱেশ উন্নতি কৰে। |
| সম্প্ৰদায়ৰ লোকে সম্প্ৰদায়ৰ প্ৰয়োজনীয়তাৰ বাবে নিজকে সৰলীকৰণ কৰাৰ বাবে পৰিৱেশ গঠন | শিক্ষয়িত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীক নিজৰ ৰেটিং স্কেল নিৰ্ণয় কৰিব দিছিল আৰু তাৰ কাৰণো লিখি উলিওৱাব দিছিল। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিজকে সৰলীকৰণৰ পথ প্ৰশস্ত কৰিছিল। শিক্ষকৰ লগত কৰা আলোচনাৰ দ্বাৰাও তেওঁলোকক সৰলীকৰণ কৰিব পাৰি আৰু দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ শিকন বৃদ্ধি কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'ব পাৰি। |
| সম্প্ৰদায় জড়িতকৰণ কাৰ্য বৃদ্ধি | সম্প্ৰদায়ত থকা সম্পদ বাছনি কৰি তেওঁলোকৰ মাজত বিদ্যালয় ভাল কৰাৰ বিভিন্ন কৌশল আলোচনা কৰিলে সম্প্ৰদায়ৰ জড়িতকৰণ কাৰ্যসূচী ত্বৰান্বিত হ'ব। |
| সম্প্ৰদায়ৰ লোকৰ লগত বন্ধুসুলভ দৃষ্টিভংগীৰ কামত অগ্ৰসৰ হোৱা | ছাত্ৰ-ছাত্ৰীৰ শিক্ষক আৰু অভিভাৱকৰ লগত আলোচনা কৰি বিদ্যালয়ৰ বিভিন্ন দিশ আৰু সমস্যাসমূহ আঁতৰ কৰাৰ কৌশল উদ্‌ঘাটন কৰিব পাৰি। সম্প্ৰদায়ৰ লগত কৰা বন্ধুত্বসুলভ আচৰণে কৃতকাৰ্যৰ অন্যতম কাৰণ বুলিব পাৰি। |
| সৃজনীমূলক প্ৰতিভা থকা সম্প্ৰদায়ৰ লোক চিনাক্ত কৰি তেওঁলোকৰ সহায়ত বিকাশৰ বিভিন্ন কৌশল আৰু পদ্ধতি আৱিষ্কাৰ কৰা | বিদ্যালয়ৰ ভাল অধ্যয়ন কৰা শিকাৰুৰ দল, জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীৰ দল আৰু অভিভাৱকৰ সংগঠনে সৃজনীমূলক প্ৰতিভা থকা সংশ্লিষ্ট দলক উৎসাহিত কৰিব পাৰে আৰু অইনকো এনে উৎসাহিত কাৰ্য কৰি বিদ্যালয় আৰু শিকাৰুৰ বিকাশ ঘটাবলৈ অভিৰোচিত কৰিব পাৰি। |

টোকা

| সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে মুখ্য কাৰ্যসূচী | ওপৰৰ দৃশ্যপট সাপেক্ষে শিক্ষকে ল'বলগীয়া ক্ৰিয়াকলাপ |
|---|---|
| বাহ্যিক সম্পদৰ সৈতে সম্প্ৰদায়ৰ সংলগ্নকৰণ | বিদ্যালয় শিক্ষা পদ্ধতিৰ এজন শিক্ষক হিচাপে পিতৃ-মাতৃক অন্য বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকো সহায় কৰিবলৈ অভিৰুচিত কৰিব পাৰে। সাধাৰণতে পিতৃ-মাতৃৰ বাহিৰৰ শিকাৰুৰ সৈতে এনে সম্পৰ্ক কম দেখা যায়। |
| সম্প্ৰদায়ৰ লগত অধিক সময় কটোৱা বা সম্প্ৰদায়ৰ লগত অধিক সময় থকা লোকৰ সৈতে অধিক কাম কৰা। | শিক্ষকে সম্প্ৰদায়ৰ লোকৰ লগত নাইবা সম্প্ৰদায়ৰ লগত একেলগে কৰ্ম কৰা লোকৰ লগত আলোচনা বা কৰ্ম কৰিবলৈ সময় উলিয়াব লাগিব। সম্প্ৰদায়ৰ লগত থকা শিক্ষকৰ সম্পৰ্কই সম্প্ৰদায় সক্ৰিয়কৰণ ত্বৰান্বিত কৰে। সেয়ে শিক্ষক এজন ভাল সম্প্ৰদায় সক্ৰিয়কৰণকাৰী হ'ব লাগিব, সম্প্ৰদায়ৰ লগত অধিক সময় দিব লাগিব। |
| বিদ্যালয় শিক্ষা ব্যৱস্থাত সকলো পদাধিকাৰীক জড়িতকৰণ | সাধাৰণ লক্ষ্যত উপনীত হ'বলৈ সম্প্ৰদায় জড়িতকৰণৰ জৰিয়তে সম্প্ৰদায় সক্ৰিয়কৰণ কৰাটো অতি আৱশ্যক। ওপৰৰ দৃশ্যপটত সকলো পদাধিকাৰী যেনে — শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আদি সকলোকে বিদ্যালয় শিক্ষা ব্যৱস্থাত জড়িতকৰণ কৰা দেখা গৈছে। |

বিঃ দ্ৰঃ ওপৰৰ দৃশ্যপটত সম্প্ৰদায় সক্ৰিয়কৰণৰ প্ৰক্ৰিয়া বেছিকৈ দিয়া নাই যদিও পিছত অধ্যায়ত এই সম্পৰ্কত সঁচা ঘটনা দিয়া হ'ব আৰু তেতিয়া আপুনি শিক্ষক হিচাপে সম্প্ৰদায় সক্ৰিয়কৰণৰ সুবিধা বেছিকৈ পাব।

এতিয়া স্ব-মূল্যায়নৰ বাবে তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ যত্ন কৰক।

**অগ্ৰগতি খতিয়ান - 1**

1. ওপৰত উল্লেখ কৰা ধৰণে আপোনাৰ বিদ্যালয়তো এনে ঘটনা ঘটিব পাৰেনে? যদি ঘটে ইয়াৰ সমাধানৰ বাবে কি উপায় অৱলম্বন কৰিব?

.....................................................................................................

.....................................................................................................

.....................................................................................................

2. ওপৰৰ ঘটনা সাপেক্ষে বিদ্যালয়ত যদি শিক্ষকে কোনো ব্যৱস্থা অৱলম্বন নকৰে তেন্তে কি হ'ব?

.....................................................................................................

.....................................................................................................

.....................................................................................................



টোকা



3. আপুনি ভাবেনে যে শিক্ষক, পিতৃ-মাতৃ আৰু ছাত্ৰ-ছাত্ৰীৰ সহায় নোলোৱাকৈ অকল ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত সহায় কৰিলেই ছাত্ৰ-ছাত্ৰী উপকৃত হ'বনে? চিন্তা কৰি যুক্তি দিয়ক।

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

## 9.2.4. সম্প্ৰদায় সক্ৰিয়কৰণকাৰী ঃ ভূমিকা আৰু কৌশল

ওপৰৰ আলোচনাত আমি সম্প্ৰদায় কেনেকৈ সক্ৰিয়কৰণ কৰিব পাৰি আৰু ইয়াৰ বাবে কি কি কৰ্মসূচী হাতত ল'ব পাৰি সেই সম্পৰ্কে আলোচনা কৰিছো। এতিয়া আমি নিজকে এজন সম্প্ৰদায় সক্ৰিয়কৰণকাৰীৰ ৰূপত বিবেচিত কৰি এই ক্ষেত্ৰত আমি কি ভূমিকা আৰু কৌশল অৱলম্বন কৰিম তাৰ বিষয়ে আলোচনা কৰো আহক।

যিয়ে কামকাজৰ গতিশীলতা বা সক্ৰিয়তা আনি দিব পাৰে তাকে সক্ৰিয়কৰণকাৰী বোলা হয়। সম্প্ৰদায়ৰ সাধাৰণ লক্ষ্যত উপনীত হ'বৰ বাবে সক্ৰিয়কৰণকাৰীজনে অনুঘটকৰ ভূমিকা পালন কৰিবলগীয়া হয়। ভূমিকাসমূহ হ'ল—

- সম্প্ৰদায়ৰ লোকসকলক একলগ কৰা।
- বিশ্বাস জন্মোৱা।
- কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰা।
- আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা।
- সম্প্ৰদায় সক্ৰিয়কৰণ প্ৰক্ৰিয়াত সম্পূৰ্ণ সহযোগ কৰা।

**তালিকা** 1 ঃ এজন সম্প্ৰদায় সক্ৰিয়কৰণকাৰীৰ কেনেধৰণৰ দৃষ্টিভংগী, কৌশল বা দক্ষতা আৰু জ্ঞান থাকিব লাগে তাক তলত বৰ্ণনা কৰা হ'ল —

| গুণ | আয়ত্ব কৰা উচিত/হোৱা উচিত |
|---|---|
| দৃষ্টিভংগী | • পৰিস্থিতি অধ্যয়নৰ ইচ্ছা।<br>• সম্প্ৰদায়ৰসদস্যৰ প্ৰতি শ্ৰদ্ধা।<br>• সকলোৰে কথা শুনা আৰু গ্ৰহণ কৰাৰ আগ্ৰহ প্ৰকাশ।<br>• সম্প্ৰদায়ৰ লোকৰ মাজত থকা প্ৰভেদসমূহ বুজা।<br>• সম্প্ৰদায়ৰ কৰ্মৰ ওপৰত বিশ্বাস ৰখা। |
| কৌশল বা দক্ষতা | • আগৰ কথা শুনা আৰু ভাল যোগাযোগ কৌশল।<br>• বিশ্লেষণ আৰু সমস্যা সমাধানৰ বাবে সম্প্ৰদায়ক সহায় কৰাৰ কৌশল<br>• সিদ্ধান্ত গ্ৰহণ আৰু আঁচনি গ্ৰহণ কৰাৰ ক্ষেত্ৰত সম্প্ৰদায়ৰ সকলো প্ৰতিনিধিক গুৰুত্ব প্ৰদানৰ কৌশল। |



টোকা

| গুণ | আয়ত্ব কৰা উচিত/হোৱা উচিত |
|---|---|
| জ্ঞান | • সম্প্ৰদায় সক্ৰিয়কৰণ কৰাৰ প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞান আৰু বোধ।<br>• সম্প্ৰদায়ৰ পৰম্পৰতা, ৰীতি-নীতি, আবেগ আৰু সচেতনতা জনা আৰু বুজা। |

এইদৰে আমি ক'ব পাৰো যে সম্প্ৰদায় সক্ৰিয়কৰণকাৰী হ'ল যিজনে সম্প্ৰদায় অংশগ্ৰহণ নিশ্চিত কৰিব পাৰে। সম্প্ৰদায়ৰ সম্পদ ব্যৱহাৰ কৰি সম্প্ৰদায়ৰ সাধাৰণ লক্ষ্যত উপনীত হ'ব পাৰে। এজন সম্প্ৰদায় সক্ৰিয়কৰণকাৰীয়ে তেওঁৰ কি কি গুণ থাকিব লাগে সেই সম্পৰ্কে জনাটো অতি আৱশ্যক। আহক এতিয়া আমি যোগাযোগ প্ৰক্ৰিয়া আৰু যোগাযোগ কৌশল সম্পৰ্কে তলৰ বাকচৰ ভিতৰত দিয়া কথাৰ পৰা বুজ লওঁ।

সম্প্ৰদায় সক্ৰিয়কৰণকাৰীৰ বাবে যোগাযোগ কৌশল আয়ত্ব কৰাটো অতি প্ৰয়োজন

**যোগাযোগ মানে কি?**

- ধাৰণা, সত্যতা, মতামত, তথ্য আৰু বোধ আনৰ লগত আলোচনা কৰাই হ'ল যোগাযোগ।
- যেতিয়া প্ৰেৰকে প্ৰেৰণ কৰা বাণী গ্ৰাহকে সুন্দৰভাৱে বুজি পায় তাকে ফলপ্ৰসূ যোগাযোগ বুলি কোৱা হয়।

**যোগাযোগ প্ৰক্ৰিয়া ঃ**

- যেতিয়া প্ৰেৰকে প্ৰেৰণ কৰা কথা বা বাণী গ্ৰাহকে সুন্দৰভাৱে বুজি পাই তাক বিশ্লেষণ কৰি প্ৰেৰকলৈ পুনৰ প্ৰতিপুষ্টি প্ৰেৰণ কৰিব পাৰে তেতিয়া ফলপ্ৰসূ যোগাযোগ সম্পন্ন হয়।
- যোগাযোগ প্ৰক্ৰিয়াৰ তলত দিয়া উপাদানবোৰ থাকে— প্ৰেৰক, গ্ৰাহক, বাণী চেনেল, মাধ্যম, প্ৰতিপুষ্টি আৰু চিঞৰ।

(ক) প্ৰেৰকৰ জৰিয়তে যোগাযোগ প্ৰক্ৰিয়া আৰম্ভ হয়। প্ৰেৰক এজন ব্যক্তি যিয়ে গ্ৰাহকক বাণী পঠাব খোজে। বাণী প্ৰেৰণ কৰাৰ আগতে প্ৰেৰকে বাণীটো পঠালে ভাল হ'বনে নহয় তাক বিশ্লেষণ কৰি লোৱা দৰকাৰ।

(খ) গ্ৰাহক হ'ল ব্যক্তি বা দল যিয়ে প্ৰেৰকে প্ৰেৰণ কৰা বাণী গ্ৰহণ কৰে।

(গ) চেনেল হ'ল যাৰ জৰিয়তে বাণী পঠোৱাৰ ব্যৱস্থা কৰা হয়।

(ঘ) প্ৰতিপুষ্টি হ'ল গ্ৰাহকৰ বাণী গ্ৰহণৰ পিছত প্ৰেৰকলৈ দিয়া সঁহাৰি।

(ঙ) চিঞৰ বা শব্দ হ'ল প্ৰেৰণ কৰা বাণী গ্ৰহণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰা এক কাৰণ। শব্দ ভৌতিক, মনোবিজ্ঞানীক, শৰীৰত্বাত্বিক বা চিমেণ্টিক হ'ব পাৰে। নিৰ্মাণ কাৰ্যৰ পৰা অহা শব্দ হ'ল ভৌতিক। যেতিয়া ব্যক্তিৰ মানসিক অৱস্থা



টোকা

ভালে নাথাকে তেতিয়া তেওঁ প্ৰেৰকৰ বাণী ভালকৈ গ্ৰহণ কৰিব নোৱাৰে। শাৰীৰিক অসুবিধা যেনে — কাণেৰে নুশুনা, বেঙা আদি থাকিলেও প্ৰেৰকৰ বাণী গ্ৰাহকে ভালদৰে গ্ৰহণ কৰিব নোৱাৰে। কেতিয়াবা প্ৰেৰকৰ বাণী ভালদৰে বুজি নাপালেও গ্ৰাহকৰ বাণী গ্ৰহণ কাৰ্য সঠিক নহ'বও পাৰে।

**যোগাযোগত শ্ৰৱণৰ প্ৰয়োজনীয়তা-**

- সক্ৰিয় শ্ৰৱণ মানে হ'ল বক্তাৰ বক্তব্য, চিন্তা, ধাৰণা, অনুভৱ আৰু প্ৰয়োজনীয়তা ভালদৰে বুজা আৰু প্ৰয়োজন সাপেক্ষে ইয়াৰ প্ৰতিপুষ্টি বক্তাক দিব পৰা।
- শিকনৰ সিংহভাগ শ্ৰৱণ কৌশলৰ ওপৰত নিৰ্ভৰশীল।
- আমাৰ মাজত থকা চিন্তা আৰু ধাৰণাসমূহ বুজিবলৈ শ্ৰৱণ কৌশল অতি প্ৰয়োজন।
- আমি যদি এজনৰ চিন্তা, ধাৰণা ভালদৰে শুনো আৰু তাৰ পিছত তেওঁক আমি আমাৰ মতাদৰ্শ বা মতামত আগবঢ়াও তেতিয়াহ'লে তেওঁ আমাক ভালদৰে গ্ৰহণ কৰিব।
- বিকল্প চিন্তা বা ধাৰণা আগমনৰ আগতে আমি যদি কোনো ব্যক্তিৰ বক্তব্য শুনি তেওঁক প্ৰশংসা কৰোঁ তেতিয়া তেওঁ ভাল পায়।

ভাল সম্প্ৰদায় সক্ৰিয়কৰণকাৰী হ'বলৈ কি কি গুণ লাগিব তাক আমি ইতিমধ্যে আলোচনা কৰিছো। দৃশ্যপট 1ৰ আধাৰত আপুনি শিক্ষকৰ কিছুমান গুণ থকা কথাটো বিচাৰ কৰি চাব পাৰে আৰু সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা বিশ্লেষণ কৰিব পাৰে।

*দৃশ্যপট 2ত শিক্ষকে দেখুওৱা গুণসমূহ ঃ*

- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................

*আপোনাৰ তাত থকা গুণসমূহ যিয়ে আপোনাক এজন সম্প্ৰদায় সক্ৰিয়কৰণকাৰী হিচাপে পৰিগণিত কৰিব পাৰে-*

- ..........................................................................................................
- ..........................................................................................................



টোকা

- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................
- ..........................................................................................................

## 9.3. ঘটনা অধ্যয়ন ঃ সম্প্ৰদায় সক্ৰিয়কৰণৰ সহায়ত প্ৰাথমিক শিক্ষাৰ কাৰ্যসূচী ঃ

এতিয়ালৈকে আমি বিদ্যালয় বা শ্ৰেণীকোঠা সম্প্ৰদায় সক্ৰিয়কৰণৰে কিদৰে ভাল কৰিব পাৰোঁ সেই সম্পৰ্কে আলোচনা কৰিছো আৰু ইয়াৰ লগত প্ৰত্যক্ষভাৱে জড়িত হ'বলগীয়া ব্যক্তি হ'ল শিক্ষক হিচাপে আপুনি। আমি এতিয়া কিছুমান সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে কৃতকাৰ্য হোৱা কিছুমান কাৰ্যসূচী আলোচনা কৰো আহক। যাৰ জৰিয়তে শৈক্ষিক দৃশ্যপট ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে।

### 9.3.1. সৰ্বশিক্ষা অভিযানৰ তত্বাবধানত সম্প্ৰদায় জড়িতকৰণ আৰু সম্প্ৰদায় সক্ৰিয়কৰণ কাৰ্যসূচী

সৰ্বশিক্ষা অভিযান হৈছে ভাৰত চৰকাৰৰ এক ধ্বজাবাহী আঁচনি যাৰ জৰিয়তে 6 বছৰৰ পৰা 14 বছৰ পৰ্যন্ত সকলো শিশুক বিনামূলীয়া আৰু গুণগত শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা হাতত লোৱা হয় আৰু এই ক্ষেত্ৰত সম্প্ৰদায় সক্ৰিয়কৰণ আৰু বিদ্যালয় শিক্ষা ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণ কৰি শিশুসকলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ভাৰতীয় সংবিধানৰ 73 আৰু 74 নং সংশোধনী আইন, 1992 সাপেক্ষে, ৰাষ্ট্ৰীয় নতুন শিক্ষানীতি সাপেক্ষে আৰু শিক্ষা ব্যৱস্থাপনা বিকেন্দ্ৰীকৰণ কমিটীৰ পৰামৰ্শ অনুযায়ী গাঁও শিক্ষা সমিতি সমূহ গঠন কৰা হৈছিল আৰু জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ (DPEP), অধীনত এই গাঁও শিক্ষা সমিতিসমূহক সক্ৰিয় কৰা হৈছিল। সৰ্বশিক্ষা অভিযানৰ অধীনতো এই ব্যৱস্থা অব্যাহত আছে আৰু প্ৰয়োজনীয় পুঁজি পোনে পোনে গাঁও শিক্ষা সমিতিলৈ প্ৰেৰণ কৰা হয় আৰু বিদ্যালয়ৰ নামত সমিতিয়ে প্ৰয়োজনীয় পুঁজি খৰচ কৰে।

বৰ্তমান ভাৰতবৰ্ষৰ সকলো ৰাজ্যত সৰ্বশিক্ষা অভিযানৰ অধীনত সম্প্ৰদায় স্তৰত স্থানীয় শিক্ষা সমিতি আছে। ইয়াৰ নাম, গঠন প্ৰক্ৰিয়া, কাৰ্যকাল আদি ৰাজ্যভেদে বেলেগ বেলেগ হয়। সম্প্ৰদায় ভিত্তিক এই শিক্ষা সমিতিসমূহে বিদ্যালয়ত নামভৰ্তি অভিযান শিশুসকলৰ বিদ্যালয় ত্যাগ বন্ধ কৰা, ছোৱালী শিক্ষা আৰু অন্য পিছপৰা সম্প্ৰদায়ৰ শিক্ষা, বিদ্যালয়লৈ দিয়া পুঁজিৰ ব্যৱহাৰ, নিৰ্মাণ কাৰ্য আদি কাৰ্যসূচী সমূহে চোৱা চিতা কৰিছে আৰু সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য ফলপ্ৰসূ কৰাত সহায় কৰিছে। এই শিক্ষা সমিতিসমূহে বিদ্যালয়ৰ উন্নতিৰ কাৰণে সূক্ষ্ম আঁচনি প্ৰস্তুত কৰে, গাঁও বা ৱাৰ্ড শিক্ষা আঁচনি বিদ্যালয় উন্নয়ন আঁচনি আদি গ্ৰহণ কৰে। সৰ্বশিক্ষা অভিযানৰ অধীনত এই সম্প্ৰদায় স্তৰত শিক্ষা সমিতি সমূহে প্ৰস্তুত কৰা আঁচনি য'ত স্থানীয়ভাৱে প্ৰয়োজনীয়

টোকা

দিশৰ ওপৰত গুৰুত্ব দিয়া হয় তাৰ ওপৰত নিৰ্ভৰ কৰি সমগ্ৰ ৰাজ্যখনৰ বাবে কৰ্ম আঁচনি আৰু বাজেট প্ৰস্তুত কৰা হয়। বিভিন্ন ৰাজ্যত সৰ্বশিক্ষা অভিযানৰ অধীনত সম্প্ৰদায় সক্ৰিয়কৰণৰ নমুনা বা সম্প্ৰদায়ে কৰা কামৰ নমুনা তলত দাঙি ধৰিলোঁ।

- 'মাতৃ সন্মিলন', 'মীনা সপ্তাহ' আৰু 'আন্তৰ্জাতিক মহিলা দিৱস' — হিমাচল প্ৰদেশত বিদ্যালয়, মণ্ডল, খণ্ড, জিলা আৰু ৰাজ্যিক পৰ্যায়ত এই কাৰ্যসূচীসমূহ কাৰ্যকৰী কৰা হৈছে।
- 'হাত-বজাৰ'— গুজৰাটত ছোৱালী কন্যাৰ উন্নতিৰ কাৰণে জনজাগৰণ সৃষ্টি কৰা এক কাৰ্যসূচী।
- 'সাক্ষৰতা অভিযান' — গুজৰাটত মাতৃসকলক সাক্ষৰ কৰাৰ বাবে এই অভিযান।
- 'বিশেষ নামভৰ্তিকৰণ আঁচনি' আৰু 'জাতি মহাসভা' - উৰিষ্যাত জনজাতি এলেকাত জনজাগৰণৰ বাবে এই আঁচনি।
- 'বিশেষ নামভৰ্তিকৰণ আঁচনি' — পশ্চিমবংগত বিদ্যালয়ত নোযোৱা শিশুৰ বাবে এই আঁচনি।
- 'মুখ্য মাতৃ শিক্ষা সম্বল মহা অভিযান'— ৰাজস্থানত বিদ্যালয়ৰ আন্তঃগাঁথনি আৰু শৈক্ষিক পৰিৱেশ উন্নতকৰাৰ বাবে এই আঁচনি।
- 'শিশু মেলা' — অসম, হিমাচল প্ৰদেশ, উত্তৰাঞ্চল, ৰাজস্থান, ঝাৰখণ্ড, বিহাৰ, দিল্লী আদিত এই আঁচনি।
- 'মাতৃ কন্যা মেলা' — মধ্যপ্ৰদেশ, গুজৰাট আৰু উত্তৰাঞ্চলত এই আঁচনি।
- 'পুতলা মেলা' - কেৰালা আৰু পশ্চিমবংগ।
- 'কলাজাঠচ' — মণিপুৰ, বিহাৰ, উত্তৰাঞ্চল।
- 'বাটৰ নাট' — কেৰালা, বিহাৰ, দিল্লী, পশ্চিমবংগ, অসম।
- 'বিদ্যালয়লৈ যাওঁ অভিযান' — উত্তৰাঞ্চল
- সৰ্বশিক্ষা অভিযানৰ আঁৰত জনজাগৰণো হাৰিয়ানত।
- 'হোলি মেলা' — গুজৰাটত।
- বিদ্যালয় মেলা- কেৰালাত।

**ক্ৰিয়াকলাপ - 1**

আপোনাৰ ৰাজ্যত বা অন্য ৰাজ্যত সৰ্বশিক্ষা অভিযানৰ অধীনত সম্প্ৰদায় সক্ৰিয়কৰণৰ অন্য আঁচনিৰ নাম আপুনি জানে যদি তলত লিখক ঃ

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................



টোকা

## 9.3.2. সম্প্ৰদায় সক্ৰিয়কৰণ - 'প্ৰথম'ৰ এটা বলিষ্ঠ কৌশল ঃ

'প্ৰথম' হ'ল ভাৰতবৰ্ষত আটাইতকৈ ডাঙৰ এন জি অ' যিয়ে 'সকলো শিশু বিদ্যালয়ত আৰু সকলোৱে ভালকৈ শিকি আছে' — এই উদ্দেশ্য আগৰ ৰাখি দেশৰ পিছপৰা আৰু সুবিধাৰ পৰা বঞ্চিত শিশুসকলৰ বিকাশৰ বাবে কাম কৰি আছে। 1994 চনত মুম্বাই চৰৰ বস্তি অঞ্চলৰ শিশুসকলৰ শিক্ষা আহৰণৰ বাবে ইয়াৰ জন্ম হয় আৰু তেতিয়াৰে পৰা ইয়াৰ পৰিসৰ বৃদ্ধি কৰি এতিয়া এই 'প্ৰথমে' দেশৰ 34 মিলিয়ন শিশুক সাঙুৰি ল'বলৈ সক্ষম হৈছে। উদ্ভাৱনীমূলক সম্প্ৰদায় সক্ৰিয়কৰণ কাৰ্যসূচীৰ দ্বাৰা সম্প্ৰদায় জড়িতকৰণ কৰালে ন্যূনতম সম্পদ ব্যৱহাৰ কৰি বিদ্যালয়ৰ আৰু শিশুৰ বিকাশ সাধন কৰিব পাৰি। প্ৰাক-প্ৰাথমিক পৰ্যায়ৰ পৰা 'প্ৰথমে' শিশুৰ নিদানমূলক শিকন, শিশুক সংকুচিত কাৰ্যসূচীৰ জৰিয়তে বিদ্যালয়ত মূল সুঁতিকৰণ, কম সময়ত শিশুৰ পঠন দক্ষতা কেনেকৈ আহে আদি কাৰ্যসূচী লৈ আহিছে। পৰীক্ষণৰ সঁজুলি আৰু পঠন দক্ষতাৰ বাবে অবলম্বন কৰা পদ্ধতিয়ে শিক্ষা বিভাগক বাৰ্ষিক প্ৰতিবেদন দিয়াত যথেষ্ট সহায় কৰিছে। 16000 গাঁৱত, 3,20,000 পৰিয়ালৰ 7,00,000 শিশুৰ মাজত 2005 চনৰ পৰা কৰি অহা অধ্যয়নৰ বাবে দেশৰ সৰহসংখ্যক স্বেচ্ছাসেৱকক শিশু শিক্ষা সক্ৰিয়কৰণৰ কামত নিয়োজিত কৰিব পৰা হৈছে। 'প্ৰথম'ৰ 'ৰিড ইণ্ডিয়া কেম্পেইনে' উদঙাই দিছে যে দেশত 3,50,000 খনতকৈ বেছি গাঁৱত শিশুৰ শিকন ঘাটি থকাৰ বাবে পঠন দক্ষতা নাই। 'প্ৰথমে' সম্প্ৰদায় সক্ৰিয়কৰণৰ বাবে হাতত লোৱা কিছুমান কাৰ্যসূচী তলত সংক্ষেপে ব্যাখ্যা কৰা হ'ল—

- ➯ **মেপিং ঃ** এটা অঞ্চল অধ্যয়ন কৰি তাৰ মানুহবোৰৰ লগত আলোচনা কৰি অঞ্চলটোত কি কি সুবিধা অসুবিধা আছে সম্প্ৰদায়ৰ লোকৰ বৃত্তান্ত আৰু অন্য প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাৰ ব্যৱস্থা।
- ➯ অঞ্চলটোৰ প্ৰধানৰ লগত, নিৰ্দিষ্ট নাগৰিকৰ লগত, গাঁও শিক্ষা সমিতি বা বিদ্যালয় ব্যৱস্থাপনা সমিতিৰ সদস্যসকলৰ লগত আলোচনা কৰি 'প্ৰথম'ৰ উদ্দেশ্য বিতংকৈ বুজায় দিয়া হয়।
- ➯ বিভিন্ন অঞ্চলত থকা বৃহৎ দল বা সৰু দলৰ লগত সম্প্ৰদায় সক্ৰিয়কৰণৰ জৰিয়তে সম্প্ৰদায়ৰ লোকৰ সচেতনতা আৰু অংশগ্ৰহণ বৃদ্ধি কৰিব পাৰি আৰু প্ৰাথমিক পৰ্যায়ত শিশুৰ শিকন স্তৰ আৰু ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে জ্ঞাত হ'ব পাৰি সেই সম্পৰ্কে আলোচনা কৰি বুজায় দিয়াৰ ব্যৱস্থা কৰা হয়। 'প্ৰথমে' ইয়াৰ বাবে তলত দিয়া কাৰ্যসূচীসমূহ হাতত লৈছিল।

(ক) পূৰ্ব/টোলা/মহলাত শিশুৰ এ এচ ই আৰ পৰীক্ষা কৰা। এই কাৰ্যসূচীয়ে সম্প্ৰদায়ৰ লোকক জড়িত কৰাৰ হাৰ বৃদ্ধি কৰিছিল আৰু এইটোৱে সৰু দলৰ সভাৰ আলোচনাৰ ভিত্তি।

(খ) পৰীক্ষাৰ ফলাফলৰ তথ্যৰ ওপৰত যথাস্থানতে আলোচনা কৰা ব্যৱস্থা লোৱা।

(গ) সৰু দলত শিশুসকলৰ সন্মুখত 'প্ৰথম' কাৰ্যসূচীৰ প্ৰদৰ্শন।



টোকা

(ঘ) **বিদ্যালয়ত ক্ৰিয়াকলাপ ঃ** বিদ্যালয়ৰ প্ৰধান শিক্ষক, সহশিক্ষকৰ লগত 'প্ৰথম'ৰ কাৰ্যসূচী সম্পৰ্কে আলোচনা আৰু প্ৰয়োজনীয় পৰিৱেশ গঠন কৰি 'প্ৰথম'ৰ সামগ্ৰীৰ সহায়ত প্ৰদৰ্শন।

**ক্ৰিয়াকলাপ - 2**

আপোনাৰ ওচৰত থকা কোনো এন জি অ'ৰ বিষয়ে জানেনে? তেওঁলোকৰ লগত আলোচনা কৰি তেওঁলোকে প্ৰাথমিক শিক্ষাৰ ওপৰত কি কি কাম কৰিছে, কৰিবলৈ কাৰ্যসূচী হাতত লৈছে তলত লিখক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

## 9.4 শিক্ষক আৰু সম্প্ৰদায় সক্ৰিয়কৰণ ঃ

ইতিমধ্যে আপুনি সম্প্ৰদায় সক্ৰিয়াকৰণ কেনেকৈ কৰিব লাগে সেই সম্পৰ্কে জানিলে। আগতে উল্লেখ কৰা দৃশ্যপট-2ৰ সহায়ত শিক্ষকে কেনেদৰে সম্প্ৰদায় সক্ৰিয়কৰণ কৰিব লাগে তাৰ আভাষ ইতিমধ্যে পাইছে। আপুনি এতিয়া চিন্তা কৰিছেনে আপোনাৰ ওচৰত থকা সম্প্ৰদায়ৰ লগত আপুনি বৰ্তমান কেনেভাৱে সংলগ্ন হৈ আছে? আপোনাৰ সংস্পৰ্শত থকা এনেধৰণৰ কিছুমান সম্প্ৰদায়ৰ তলত তালিকাভুক্ত কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

এই সম্প্ৰদায়বোৰৰ ভিতৰত এটা সাধাৰণ প্ৰয়োজনীয়তা কি চিনাক্ত কৰক আৰু সম্প্ৰদায়ৰ এই প্ৰয়োজনীয়তা পূৰ কৰিবলৈ হ'লে তেওঁলোকক কি ধৰণে সক্ৰিয় কৰিব লাগিব তাত পৰামৰ্শ আগবঢ়াওক (দৃশ্যপট- 2ৰ প্ৰসংগ লৈ)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................



টোকা

## 9.5 গোটৰ সাৰাংশ ঃ

- সম্প্ৰদায় সক্ৰিয়কৰণ হ'ল এটা প্ৰক্ৰিয়া য'ত সম্প্ৰদায়ৰ লোকে চিন্তা কৰি আঁচনি প্ৰস্তুত কৰিব পাৰে।
- সম্প্ৰদায় সক্ৰিয়কৰণ এক দক্ষতা আহৰণ প্ৰক্ৰিয়া যাৰ জৰিয়তে সম্প্ৰদায়ৰ দল, সংগঠন আৰু ব্যক্তিয়ে আঁচনি গ্ৰহণ আৰু কাৰ্যকৰী কৰি তাৰ মূল্যায়ন কৰিব পাৰে আৰু ব্যক্তিগত প্ৰচেষ্টা বা সামূহিক প্ৰচেষ্টাৰ দ্বাৰা সম্প্ৰদায়ৰ লোকৰ বিকাশ সাধন কৰিব পাৰে।
- সম্প্ৰদায় সক্ৰিয়কৰণ যিকোনো কাৰ্যসূচী বা আঁচনি সফল কৰিবলৈ অতি দৰকাৰ কিয়নো সম্প্ৰদায় সক্ৰিয়কৰণ প্ৰক্ৰিয়াই আঁচনিৰ চাহিদা, সফলতা নিৰ্ধাৰণ কৰে, প্ৰয়োজন পূৰ কৰাৰ বাবে প্ৰয়োজনীয় সম্পদ যোগান ধৰে, শিক্ষা সম্পৰ্কীয় দিশ যেনে — লিংগ বৈষম্য, সজাগতাৰ অভাৱ আদি হ্ৰাস কৰাৰ লগতে ৰাইজৰ কৰ্মৰ প্ৰতি আত্মীয়তা আৰু বহন ক্ষমতা আনি দিয়ে।
- সম্প্ৰদায় সংক্ৰিয়কৰণকাৰী সেইজনক কয় যিজনে সম্প্ৰদায় জড়িতকৰণ কৰিব পাৰে, সম্প্ৰদায়ৰ সম্পদবোৰ সক্ৰিয় ভাৱে ব্যৱহাৰ কৰি সাধাৰণ লক্ষ্যত উপনীত হ'ব পাৰে।
- এজন দক্ষ সম্প্ৰদায় সক্ৰিয়কৰণকাৰী হ'বলৈ হ'লে তেওঁৰ বিভিন্ন কৌশলৰ ভাণ্ডাৰ থাকিব লাগিব। ফলপ্ৰসূ যোগাযোগ কৌশল এই ক্ষেত্ৰত অধিক প্ৰয়োজনীয়।
- বিদ্যালয় আৰু সম্প্ৰদায়ত থকা সম্পদবোৰৰ অধিক ব্যৱহাৰ কৰি শিক্ষকে শিশুৰ শিকন পাৰদৰ্শিতা বৃদ্ধি কৰিব পাৰে আৰু নিজকে সফল কৰিব পাৰে। সম্প্ৰদায় সক্ৰিয়কৰণকাৰীৰ ৰূপত অৱতীৰ্ণ হ'ব।

## 9.6 অগ্ৰগতিৰ খতিয়ান ঃ

আপোনালৈ আগবঢ়োৱা প্ৰশ্নবোৰত উত্তৰ দিবলৈ আপুনি জ্যেষ্ঠ শিক্ষকসকলৰ লগত আলোচনা কৰিব পাৰে সতীৰ্থ বা অধ্যক্ষৰ লগত কথা পাতিব পাৰে। এই ক্ষেত্ৰত আপুনি ইণ্টাৰনেটৰো সহায় ল'ব পাৰে।

## 9.7 পৰামৰ্শমূলক প্ৰাসংগিক পুথি ঃ


- Handbook for literacy and non-formal education facilitators in Africa. Module 1: Community Sensitization and Mobilization for Development UNLDLIFE Publication. Available at: http://unesdoc.unesco.org/images/0014/ 001446/144656e.pdf; *Accessed on 1st October 2011*
- Pratham Diploma Course in Community Leadership for Education. Module on Community mobilization (2011) (course of Pratham

টোকা

Community college).

- ASER centre certificate programme for Survey and Research Coordinators; Study material developed for Course domain – Basic Communications (2011).
- Overview on Community Mobilisation under Sarva Shiksha Abhiyan. http:/ /ssa.nic.in *Accessed on 8th October 2011.*
- Getting children back to school. Case studies in Primary Education (2003). Editor- Vimala Ramachandran. Sage Publications India Pvt Ltd.

## 9.8 গোটৰ অনুশীলনী ঃ

সৰ্বশিক্ষা অভিযানৰ অন্তৰ্গত এটা সম্প্ৰদায় সক্ৰিয়কৰণৰ কাৰ্যসূচী বা আঁচনি বাচনি কৰি নিজৰ ভাষাত প্ৰায় 500 শব্দৰ ভিতৰত আঁচনিখনৰ সম্পৰ্কত লিখক।

*****